# মূখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্য্যালয় :: ধেমাজী :: অসম

ন্যায়িক বিষয়া আৰু কৰ্মচাৰীসকলৰ বৈঠক তাং- ০৩/১২/২০১৮

## কাৰ্য্যবিৱৰণী

আজি ইং ০৩/১২/২০১৮ তাৰিখে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আদেশ নং ২৪ ৰ হুকুম মতে ন্যায়িক বিষয়া আৰু কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলৰ বৈঠক মূখ্য ন্যায়িক দণ্ডাধীশৰ সভাপতিত্বত অনুষ্ঠিত হয় । কাৰ্য্যালয়ৰ মূখ্য সহায়কৰ ভাষণেৰে আৰম্ভ হোৱা বৈঠকখনিত অন্য ন্যায়িক দণ্ডাধীশসকলৰ লগতে কাৰ্য্যালয়ৰ কৰ্মচাৰীসকল উপস্থিত থাকে ।

বৈঠকৰ আৰম্ভণিতে মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ে, যিহেতু বৈঠকৰ নিৰ্ধাৰিত সময়মতে কৰ্মচাৰীসকল কিয় নাথাকে প্ৰশ্ন উত্থাপন কৰে আৰু যিসকল বৈঠকত উপস্থিত নাই তেওঁলোকক কাৰণ দৰ্শোৱাৰ হুকুম জাৰি কৰিবলৈ নিৰ্দেশ কৰে । লগতে কাৰ্যালয়ৰ কৰ্মচাৰী বিশেষে জৰুৰী কামসমূহ সময়মতে কৰিবলৈ পাহৰি যোৱা অৰ্থাৎ অৱহেলা কৰা পৰিলক্ষিত হৈছে বুলি জনায় আৰু তেওঁলোকক এই সম্পৰ্কে প্ৰশ্ন অৱতাৰণা কৰা হয় আৰু প্ৰয়োজনত উচিত ব্যৱস্থা গ্ৰহণ কৰা হব বুলি তেওঁ উল্লেখ কৰে । ইয়াৰ উপৰিও কাৰ্যালয়ৰ কৰ্মচাৰী সকলক ছুটী লোৱাৰ সম্পৰ্কে আলোচনা কৰা হয় । আৰ্জিত ছুটী তথা Child Care ছুটীৰ ক্ষেত্ৰত নিৰ্ধাৰিত দিনৰ কিছুদিন আগতে আবেদন কৰিবলৈ জনোৱা হয় । নৈমিত্তিক ছুটীৰ ক্ষেত্ৰত আগতীয়াকৈ আবেদন দাখিল কৰিব নোৱাৰিলেও কাৰ্যালয়ৰ মূখ্য-সহায়কক উক্তদিনা অৱগত কৰিবলৈ নিৰ্দেশ কৰা হয় । লগতে মূখ্য সহায়কক মাহেকীয়া উপস্থিতি প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ জনায় ।

মূখ্য সহায়কৰ বক্তব্যত বিগত ২৬ নবেম্বৰ পৰা ২৯ নবেম্বৰ তাৰিখলৈ হৈ যোৱা Audit ৰ অভিজ্ঞতা বৰ্ণনা কৰে । Auditor সকলে মুল্যত কি কি দিশ অৱলোকন কৰিছিল, সেই বিষয়ে সকলোকে অৱগত কৰে । Challan আৰু Fine Receipt সমূহ নিয়াৰিকৈ চলাই নিয়াৰ বাবে আহ্বান জনায় । ভুক্তভোগী সকলে পাবলগীয়া ক্ষতিপূৰণৰ ধন পেছকাৰৰ ওচৰত জমা ৰাখিব নোৱাৰে, গতিকে ইয়াৰ বাবে বেংকত একাউন্ট খুলি তাত জমা কৰাৰ বিষয়ে আলোচনা কৰা হয় । লগতে তেওঁ Audit ৰ কামত বিশেষভাৱে সহায় আগবঢ়োৱা কাৰ্যালয়ৰ কৰ্মচাৰী শ্ৰী মনোজ সোনোৱাল, শ্ৰী হেমন্ত আৰু শ্ৰী লংবিৰাম চেনাৰৰ প্ৰতি শলাগ জনায় ।

ইয়াৰ পাছতে কাৰ্যালয়ৰ অন্যান্য কাম-কাজৰ বিষয়ে আলোচনা কৰা হয় । লগতে আগন্তুক নৱবৰ্ষৰ উপলক্ষে আয়োজন কৰা প্ৰীতি বনভোজৰ বাবে ২২ ডিচেম্বৰ তাৰিখ ধাৰ্য্য কৰা হয় । শেষত জলযোগেৰে বৈঠকখনিৰ সামৰণি পৰে ।

Chief Judicial Magistrate
মূখ্য ন্যায়িক দণ্ডাধীশ
(ৰুপক ৰজক)

| অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ | ১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ | ১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ |
|---|---|---|
| (অনুপ খানাল) | (মনিকা মিচং) | (নাজৰানা পাৰবিন ৰেহমান) |